# Virtual Summit between Prime Minister Narendra Modi and Prime Minister Scott Morrison of Australia on 4th June 2020

June 03, 2020

---

# প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডী আৰু অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী স্কট মৰিছনৰ মাজত ভাৰ্চুৱেল শীৰ্ষ সন্মিলন

জুন 03, 2020

1. প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে 4 জুন 2020 তাৰিখে প্ৰধানমন্ত্ৰী শ্ৰী স্কট মৰিছনৰ সৈতে ভাৰত-অষ্ট্ৰেলিয়া ভৰ্চুৱেল শীৰ্ষ সন্মিলনৰ আয়োজন কৰে। এই বছৰ আষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী স্কট মৰিছনৰ ভাৰত ভ্ৰমণৰ তাৰিখ চূড়ান্ত কৰা হৈছিল যদিও যাত্ৰা বাতিল কৰা হয়। তেওঁলোকে “ভাৰ্চুৱেল শীৰ্ষ সন্মিলন” কৰাৰ বাবে সন্মত হয়। প্ৰধানমন্ত্ৰী মোডীয়ে প্ৰথমবাৰৰ বাবে "দ্বিপাক্ষিক ভাৰ্চুৱেল শীৰ্ষ সন্মিলন”ৰ আয়োজন কৰে, ইয়াৰদ্বাৰা ভাৰতৰ অষ্ট্ৰেলিয়াৰ সৈতে সম্পৰ্কক আৰু শক্তিশালী কৰা আৰু উৰ্দ্ধমূখী গতিৰ ইংগিত প্ৰদান কৰে।

2. ইয়াৰ আগতে দুয়োগৰাকী প্ৰধানমন্ত্ৰীয়ে 6 এপ্ৰিল 2020 তাৰিখে টেলিফোনৰ জৰিয়তে বাৰ্তালাপ কৰিছিল, য’ত তেওঁলোকে বিদ্যমান ক’ভিড-19 মহামাৰীৰ লগতে পৰস্পৰৰ দেশত আৱদ্ধ হৈ থকা নাগৰিকসকলক সুবিধা আৰু সাহাৰ্য প্ৰদান কৰাৰ সন্দৰ্ভতো আলোচনা কৰিছিল। প্ৰৱাসী ভাৰতীয়সকলে দুয়োখন দেশৰ মাজত সংযোগ স্থাপনত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়ায়। টেলিফোনিক বাৰ্তালাপৰ সময়ত প্ৰধানমন্ত্ৰী স্কট মৰিছনে ভাৰতীয় শিক্ষাৰ্থীসকলক অষ্ট্ৰেলিয়াৰ সমাজৰ প্ৰাণৱন্ত অংশ হিচাপে মহত্ব দিয়াৰ লগতে সমূহ ভাৰতীয় সমূদায়ৰ কথা উল্লেখ কৰে।

3. ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত যথেষ্ট ঘনিষ্ঠ আৰু বন্ধুত্বপূৰ্ণ সম্পৰ্ক আছে, যি ক্ৰমশভাৱে প্ৰসাৰিত হব ধৰিছে।

4. 2014 বৰ্ষৰ ছেপ্তেম্বৰ মাহত প্ৰধানমন্ত্ৰী টনী এব’টৰ ভাৰত ভ্ৰমণ আৰু 2014 বৰ্ষৰ নৱেম্বৰ মাহত প্ৰধানমন্ত্ৰী মোডীৰ অষ্ট্ৰেলিয়া ভ্ৰমণৰ জৰিয়তে 2014 বৰ্ষত দুয়োখন দেশৰ মাজত কৌশলগত অংশীদাৰিত্ব মজবুত হৈছিল। 2014 বৰ্ষৰ নৱেম্বৰ মাহত প্ৰধানমন্ত্ৰী মোডীৰ অষ্ট্ৰেলিয়া ভ্ৰমণৰ সময়ত অষ্ট্ৰেলিয়া আৰু ভাৰতৰ মাজত সুৰক্ষা সহযোগিতাৰ কাৰণে পৰিকাঠামোত স্বাক্ষৰ কৰা হয় যাৰ জৰিয়তে দুয়োখন দেশৰ মাজত তীব্ৰ বিদেশ, প্ৰতিৰক্ষা আৰু সুৰক্ষা নীতি বিনিময়ৰ ভিত্তি স্থাপন হৈছেল।

5. উচ্চ পৰ্যায়ৰ আলোচনাও অব্যাহত আছিল। প্ৰধানমন্ত্ৰী মেলকম টাৰ্ণবেলে 2017 বৰ্ষৰ এপ্ৰিল মাহত ভাৰত ভ্ৰমণ কৰিছিল, অষ্ট্ৰেলিয়াৰ গৱৰ্ণৰ জেনেৰেলে 2018 বৰ্ষৰ মাৰ্চ মাহত আন্তঃৰাষ্ট্ৰীয়

সৌৰ মৈত্ৰীত ভাগ লবৰ বাবে ভাৰত ভ্ৰমণ কৰিছিল আৰু 2018 বৰ্ষৰ নৱেম্বৰ মাহত ৰাষ্ট্ৰপতিয়ে অষ্ট্ৰেলিয়া ভ্ৰমণ কৰিছিল। প্ৰধানমন্ত্ৰী মোডী আৰু প্ৰধানমন্ত্ৰী মৰিছনে যোৱা ডেৰ বছৰত-ছিংগাপুৰত অনুষ্ঠিত (14 নৱেম্বৰ 2018 বৰ্ষ) ই এ এছৰ সময়ত, অছাকাত অনুষ্ঠিত জি20ৰ সময়ত(29 জুন 2020 বৰ্ষ), বিয়াৰিটজত অনুষ্ঠিত জি7 শীৰ্ষ সন্মিলনৰ সময়ত(25 আগষ্ট 2019 বৰ্ষ) আৰু বেংককত অনুষ্ঠিত ই এ এছৰ সময়ত(04 নৱেম্বৰ 2019 বৰ্ষ) মুঠ চাৰিবাৰ সাক্ষাত কৰে।

6. অৰ্থনৈতিক গতিবিধি বাঢ়িছে। 2018-19 বৰ্ষত দুয়োখন দেশৰ মাজত 21 বিলিয়ন মাৰ্কিন ডলাৰৰ বাণিজ্য হৈছিল। ভাৰতত অষ্ট্ৰেলিয়াৰ বিনিয়োগ প্ৰায় 10.74 বিলিয়ন মাৰ্কিন ডলাৰ আনহাতে অষ্ট্ৰেলিয়াত ভাৰতৰ বিনিয়োগ প্ৰায় 10.45 বিলিয়ন মাৰ্কিন ডলাৰ। অষ্ট্ৰেলিয়াৰ চুপাৰ পেঞ্চন ফাণ্ডে ভাৰতৰ ৰাষ্ট্ৰীয় বিনিয়োগ আৰু আন্তঃগাথনি পুঁজিত 1 বিলিয়ন মাৰ্কিন ডলাৰ বিনিয়োগ কৰে। দুয়োখন দেশে পৰস্পৰে পৰস্পৰৰ সৈতে বিনিয়োগ আৰু বাণিজ্যক আগবঢ়াই নিছে।

7. গণতান্ত্ৰিক দেশ হিচাপে ভাৰত আৰু অষ্ট্ৰেলিয়াই আঞ্চলিক আৰু বৈশ্বিক বিষয়সমূহৰ সন্দৰ্ভত পৰস্পৰে পৰস্পৰৰ দৃষ্টিভংগীক বুজাৰ ক্ষেত্ৰখন বিকশিত কৰিছে। দুয়োখন দেশৰ মাজত মাজত ভাৰত-প্ৰশান্তীয়ৰ কাৰণে এক স্বতন্ত্ৰ, মুক্ত, সমেত আৰু সমৃদ্ধিশালী বিনিময় পন্থা আছে।

8. অষ্ট্ৰেলিয়াই ভাৰতৰ বৈশ্বিক পদক্ষেপসমূহ যেনে আই এছ এ, চি ডি আৰ আই আৰু ভাৰত-প্ৰশান্ত মহাসাগৰৰ পদক্ষেপ (আই পি অ আই)ক সমৰ্থন কৰে। অষ্ট্ৰেলিয়াই সম্প্ৰসাৰিত ৰাষ্ট্ৰসংঘৰ সুৰক্ষা পৰিষদ(ইউ এন এছ চি)ৰ ভাৰতৰ সদস্যপদ সমৰ্থন কৰে। অলপতে, অষ্ট্ৰেলিয়াই অষ্ট্ৰেলিয়া গ্ৰুপ আৰু ৱাছেনাৰ এৰেঞ্জমেন্টৰ কাৰণে আমাৰ সদস্যপদ সমৰ্থন কৰিছিল আৰু এন এছ জি-ৰ ভাৰতৰ সদস্যপদৰ পক্ষ লৈছিল।

9. ভাৰ্চুৱেল শীৰ্ষ সন্মিলনৰ ফলত দুয়ো গৰাকী নেতাই দুয়োখন দেশৰ মাজত থকা সম্পৰ্কৰ বিস্তৃত পৰিকাঠামো পৰ্যালোচনা কৰা, ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত ক্ৰমবৰ্দ্ধমান সম্পৰ্কৰ প্ৰসংগত আৰু ক'ভিড-19 মহামাৰীৰ সম্পৰ্কত পৰস্পৰৰ প্ৰতিক্ৰিয়াসমূহৰ সন্দৰ্ভত আলোচনা কৰাৰ সুযোগ লাভ কৰিব।

**নতুন দিল্লী**
**জুন 03, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release